# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 23-10-2024
**Time :** 1845 Hrs

## ***Assamese Evening Bulletin***
### ***HEADLINES***

**- - - - - - - - - - - - - - -**

১। ব্রিকছ্ ৰাষ্ট্ৰসমূহক সন্ত্ৰাসবাদ আৰু সন্ত্ৰাসবাদী সংগঠনক পুঁজি প্ৰদানৰ বিৰুদ্ধে একগোট হৈ পাৰস্পৰিক সহযোগিতা শক্তিশালী কৰি তোলাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ব্ৰিকছ্ শীৰ্ষ সন্মিলনত আহ্বান। চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিঙৰ সৈতে প্ৰধানমন্ত্ৰীৰ দ্বিপাক্ষিক বৈঠক।

২। ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে আজি চাৰিগৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিল। বিহালীৰ টিকটক লৈ অসন্তুষ্টিৰ পৰিপ্ৰেক্ষিতত কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ভূপেন বৰাৰ অসম সন্মিলিত মৰ্চাৰ সভাপতিৰ পদ ত্যাগ।

৩। ব্ৰহ্মপুত্ৰৰ জলস্তৰ অভাৱনীয়ভাৱে হ্ৰাস পোৱাৰ পৰিপ্ৰেক্ষিতত বন্ধ ৰখা ফেৰী সেৱা ৰাস উৎসৱৰ পূৰ্বে পুনৰ আৰম্ভ কৰিবলৈ জল পৰিবহণ বিভাগে তৎপৰতা গ্ৰহণ কৰিছে বুলি মন্ত্ৰী কেশৱ মহন্তৰ প্ৰকাশ।

**আৰু**

৪। গোৱাৰ পানাজীত অনুষ্ঠিত ৰাষ্ট্ৰীয় পেৰা সাঁতোৰ প্ৰতিযোগিতাত অসমৰ মুঠ ৯টা পদক অৰ্জন।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্ৰিকছ্ ৰাষ্ট্ৰসমূহক সন্ত্ৰাসবাদ আৰু সন্ত্ৰাসবাদী সংগঠনক পুঁজি প্ৰদানৰ বিৰুদ্ধে একগোট হৈ পাৰস্পৰিক সহযোগিতা শক্তিশালী কৰি তোলাৰ বাবে আহ্বান জনাইছে। আজি কাজানত অনুষ্ঠিত ব্ৰিকছ্ ৰাষ্ট্ৰসমূহৰ ষোড়শ শীৰ্ষ সন্মিলনৰ পূৰ্ণাংগ অধিৱেশনত দিয়া ভাষণত শ্ৰী মোদীয়ে এইবিষয়ে প্ৰকাশ কৰি কয় যে, এনেধৰণৰ গুৰুতৰ বিষয় এটাৰ ক্ষেত্ৰত দ্বিমত ৰখাৰ অৱকাশ নাথাকে। তেওঁ লগতে ৰাষ্ট্ৰসংঘত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সন্ত্ৰাসবাদ সম্পৰ্কীয় বিবেচনাধীন বিষয় উত্থাপনৰ বাবে একগোট হৈ কাম কৰিবলৈও আহ্বান জনায়। তেওঁ লগতে চাইবাৰ সুৰক্ষাৰ বাবে গোলকীয় নীতি নিৰ্ধাৰণ, সুৰক্ষিতভাৱে কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, সম্প্ৰতি বিশ্বই চাইবাৰ সুৰক্ষা, প্ৰযুক্তি ক্ষেত্ৰত ভুৱা তথ্য ব্যৱহাৰকে ধৰি  বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা পৰিপ্ৰেক্ষিতত ব্ৰীকছ্ ৰাষ্ট্ৰসমূহৰ প্ৰতি প্ৰত্যাশা বৃদ্ধি পাইছে।

**বাইট**

প্ৰধানমন্ত্ৰীয়ে আজি ৰাছিয়াৰ কাজানত অনুষ্ঠিত ব্ৰিকছ্ শীৰ্ষ সন্মিলনৰ সুযোগতে চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিঙৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত টহল ব্যৱস্থাপনা সন্দৰ্ভত দুয়োখন দেশ এখন চুক্তিত উপনীত হোৱাৰ পৰিপ্ৰেক্ষিতত এই বৈঠক বিশেষ তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে। প্ৰধানমন্ত্ৰী মোদী আৰু চীনৰ ৰাষ্ট্ৰপতিৰ মাজত বিগত ২২ বছৰত এয়া প্ৰথমখন সুপৰিকল্পিত বৈঠক। ইয়াৰ পূৰ্বে দুয়োগৰাকী নেতা ২০২৩ বৰ্ষত দক্ষিণ আফ্ৰিকাত অনুষ্ঠিত ব্ৰিকছ্ শীৰ্ষ সন্মিলনৰ আপাহতে বৈঠকত

মিলিত হৈছিল আৰু বৈঠকত শ্ৰীমোদীয়ে ভাৰত-চীন সীমান্ত এলেকাৰ পশ্চিম খণ্ডৰ প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ অমীমাংসিত বিষয়সমূহক লৈ উদ্বেগ প্ৰকাশ কৰিছিল।

ooooo

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ নিৰ্বাচনী তৎপৰতা ক্ৰমাৎ বৃদ্ধি পাইছে। আজি চাৰিগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে।

বিহালী সমষ্টিত ভাৰতীয় জনতা পাৰ্টি প্ৰক্ষেপিত প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰে বিশ্বনাথ জিলা আয়ুক্ত কাৰ্যালয়ত আজি মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ সময়ত মন্ত্ৰী পীযুষ হাজৰিকা, ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাৰ লগতে সাংসদ ৰঞ্জিত দত্ত আৰু  বহুকেইজন বিধায়ক উপস্থিত থাকে। এই উপলক্ষে বিজেপিৰ এটা জনসমাৰেশত মন্ত্ৰী শ্ৰী হাজৰিকাই ৰাইজক বিজেপিৰ প্ৰাৰ্থীগৰাকীক বিপুল সংখ্যক ভোটত জয়যুক্ত কৰিবলৈ আহ্বান জনায়। সমষ্টিটোত নিৰ্বাচনী প্ৰস্তুতি সন্দৰ্ভত শোণিতপুৰৰ পৰা এয়া আমাৰ সংবাদদাতা ৰজত ভৰদ্বাজ –

**(বাইট)**

ধলাই সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী নিহাৰৰঞ্জন দাসে কাইলৈ আৰু চামগুৰি সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই পৰহিলৈ মনোনয়ন পত্ৰ দাখিল কৰিব।

ইফালে, বিহালী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে সন্মিলিত মৰ্চাৰ প্ৰাৰ্থী প্ৰদানক লৈ হোৱা মতানৈক্যৰ বাবে কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই অসম সন্মিলিত মৰ্চাৰ সভাপতি পদৰ পৰা পদত্যাগ কৰিছে।

কংগ্ৰেছে চিদলী বিধানসভা সমষ্টিৰ কাৰণে প্ৰক্ষেপ কৰা প্ৰাৰ্থী সঞ্জীৱ ওৱাৰিয়ে আজি মনোনয়ন পত্ৰ দাখিল কৰে। ইয়াৰ পূৰ্বে কাজলগাঁৱৰ বৈসুন গাঁৱত আজি অসম প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকাৰী সভাপতি জাকিৰ হুছেইন শিকদাৰৰ উপস্থিতিত কংগ্ৰেছ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত এখন সভা অনুষ্ঠিত হয়।

ooooo

ব্ৰহ্মপুত্ৰৰ জলস্তৰ অভাৱনীয়ভাৱে হ্ৰাস পোৱাৰ লগতে নতুনকৈ বালিচৰ পৰাৰ বাবে নিয়মীয়া ফেৰী সেৱা বন্ধ হৈ পৰাত কমলাবাৰী নিমাতীঘাট সংযোগী জলপথৰ শেহতীয়া অৱস্থাৰ বুজ ল'বলৈ পৰিবহণ মন্ত্ৰী কেশৱ মহন্তই আজি নিমাতীঘাট আৰু কমলাবাৰী পাৰঘাট পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত মন্ত্ৰী শ্ৰী মহন্তই কমলাবাৰী ঘাটৰ পৰা ফেৰী চলাচল পুনৰ আৰম্ভ কৰিবলৈ জল পৰিবহণ বিভাগে নদীৰ মাজৰ বালিচৰত খনন কাৰ্য আৰম্ভ কৰিব বুলি ব্যক্ত কৰে। মন্ত্ৰীগৰাকীয়ে বিধায়ক ভূবন গাম আৰু জিলা আয়ুক্তৰ উপস্থিতিত নদীখনৰ বাম হৈ পৰা বালিচৰসমূহৰ গতি-প্ৰকৃতিৰ বুজ লয়। ইয়াৰ লগতে খৰালি ব্ৰহ্মপুত্ৰৰ মাজৰ মূল সুঁতিৰ এটা সৰু অংশত বালি পৰি গঠন হোৱা বালিচৰতো জল পৰিবহণ বিভাগে খনন আৰম্ভ কৰিছে বুলি তেওঁ জানিবলৈ দিয়ে। মাজুলীৰ সমাগত ৰাস আৰু পালনামৰ পৰিপ্ৰেক্ষিতত তাৎক্ষণিকভাৱে ফেৰী চলাচল আৰম্ভ কৰিবলৈ চেষ্টা কৰা হৈছে বুলি শ্ৰী মহন্তই সাংবাদিকৰ আগত জানিবলৈ দিয়ে। তদুপৰি পাৰঘাটসমূহত বিকল হৈ থকা জাহাজসমূহৰো বিভাগে তথ্য সংগ্ৰহ কৰি বিকল্পৰ ব্যৱস্থা কৰিব বুলি তেওঁ অৱগত কৰে।

ooooo

ৰাজ্য চৰকাৰে ৰাজ্যখনত বিদ্যুতৰ উপলব্ধতা আৰু নিৰ্ভৰযোগ্যতা বৃদ্ধি কৰিবলৈ চলিত বছৰৰ এইপৰ্যন্ত ৩০০ কোটি টকা বিনিয়োগ কৰি ২৬টা উপ-কেন্দ্ৰ নিৰ্মাণ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে

প্ৰকাশ কৰে। তেওঁ কয় যে, এই উপ-কেন্দ্ৰসমূহে বৰ্তমান আৰু ভৱিষ্যতৰ চাহিদা পূৰণ কৰাৰ লগতে ৰাজ্যৰ প্ৰতিটো প্ৰান্তত নিৰৱচ্ছিন্ন শক্তিযোগান সুনিশ্চিত কৰিব।

০০০০০

শেহতীয়াভাৱে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত ডেংগিত কোনো ৰোগীৰ মৃত্যু হোৱা নাই বুলি কৰ্তৃপক্ষই সদৰি কৰিছে। এই সন্দৰ্ভত অধীক্ষক ডাঃ অভিজিৎ শৰ্মাই সংবাদ মাধ্যমৰ আগত কয় যে বিগত বৰ্ষৰ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ হাস্পতালত ডেংগিত আক্ৰান্ত ১৭০ জন লোকক ভৰ্তি কৰোৱা হৈছিল। এই বছৰ ৮৩ জন ডেংগি আক্ৰান্তৰ নাম পঞ্জীয়ন কৰা হৈছে। ইয়াৰ ভিতৰত তিনিজন ৰোগী সম্প্ৰতি চিকিৎসাধীন হৈ থকাৰ বিপৰীতে অন্য তিনিজনৰ মৃত্যু ঘটিছে। ডাঃ শৰ্মাই ডেংগি প্ৰতিৰোধৰ বাবে জনসাধাৰণক আঁঠুৱা ব্যৱহাৰ কৰাৰ লগতে ধোঁৱা দিয়াৰ ব্যৱস্থা, নলা-নৰ্দমা পৰিষ্কাৰ কৰি ৰাখিবলৈ আহ্বান জনাইছে।

০০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱে চলিত বছৰত যোৱা ১৪ অক্টোবৰ পৰ্যন্ত ৭৪ খন বিশেষ ৰে'ল চলাচল কৰাইছে। এই ৰে'লসমূহ চলাচলৰ দ্বাৰা উত্তৰ-পূব সীমান্ত ৰে'লৱেই ৯৪ কোটিতকৈ অধিক টকা উপাৰ্জন কৰিছে। তদুপৰি যাত্ৰীসকলৰ প্ৰয়োজন কৰাৰ বাবে এই সময়ছোৱাত ৮ লাখতকৈ অধিক অতিৰিক্ত বাৰ্থ প্ৰদান কৰা হয়। ইপিনে যোৱা ১ অক্টোবৰৰ পৰা অহা ৩০ নৱেম্বৰ পৰ্যন্ত উৎসৱৰ সময়ছোৱাত ২৬ খন বিশেষ ৰে'ল চলাচল কৰোৱা হৈছে। এই ৰে'লসমূহে ২৩৮টা যাত্ৰা সম্পূৰ্ণ কৰিব।

০০০০০

অহা ২৭ অক্টোবৰত চতুৰ্থ বৰ্গৰ পদৰ বাবে হ'বলগীয়া অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা স্বচ্ছ, নিকা, শান্তিপূৰ্ণ আৰু ত্ৰুটিহীনভাৱে অনুষ্ঠিত কৰিবলৈ ৰাজ্যৰ আন আন প্ৰান্তৰ লগতে চৰাইদেউ জিলাতো প্ৰশাসনে যাৱতীয় প্ৰস্তুতিমূলক পদক্ষেপ গ্ৰহণ কৰিছে। এই সন্দৰ্ভত আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত পৰীক্ষা প্ৰক্ৰিয়া পৰিচালনাৰ লগত জড়িত বিষয়াসকল আৰু পৰ্যবেক্ষণ বিষয়াসকলৰ এঁটা বিস্তৃত প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। প্ৰশিক্ষণ কাৰ্যসূচীত জিলা আয়ুক্তই পৰীক্ষা পৰিচালনাৰ দায়িত্বত নিয়োজিত বিষয়াসকলৰ নিজৰ দায়িত্ব সম্পৰ্কে পুংখানুপুংখ জ্ঞান থকাটো অপৰিহাৰ্য বুলি মন্তব্য কৰে। তেওঁ লগতে পৰীক্ষা প্ৰক্ৰিয়া পৰিচালনা কৰাৰ ক্ষেত্ৰত কোনোধৰণৰ গাফিলতি সহ্য কৰা নহ'ব বুলিও কয়। জিলা আয়ুক্তগৰাকীয়ে পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত জিলাখনত দেওবৰীয়া বজাৰসমূহ বন্ধ ঘোষণা কৰে। ইয়াৰ লগতে পৰীক্ষা কেন্দ্ৰৰ ভিতৰত নিষিদ্ধ সামগ্ৰীসমূহৰ জাননী প্ৰকাশ কৰি পৰীক্ষাৰ্থীসকলক অৱগত কৰিবলৈও নিৰ্দেশ দিয়ে। সংকীৰ্ণ বাট-পথত যান-জঁট তথা জনসমাগম নিয়ন্ত্ৰণ কৰিবলৈ যান বাহন আৰক্ষীক আয়ুক্তগৰাকীয়ে নিৰ্দেশ দিয়ে।

একেদৰে বাক্সা জিলাতো প্ৰশাসনে প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা পৰিচালনাৰ বাবে কিছুমান নিষেধাজ্ঞামূলক নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশ অনুযায়ী পৰীক্ষাকেন্দ্ৰৰ পৰা ১০০ মিটাৰ পৰিধিত কেৱল পৰীক্ষাৰ্থী আৰু অনুমোদিত পৰিচালনা কৰ্মীহে উপস্থিত থাকিব বুলি কোৱা হৈছে।

০০০০০

তিনিচুকীয়া জিলাৰ বাৰেকুৰিত আজিৰে পৰা দুদিনীয়াকৈ বিশ্ব হলৌ দিৱসৰ আয়োজন কৰা হৈছে। অসম চৰকাৰৰ সৌজন্যত তথা বাৰেকুৰিৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহযোগত আয়োজিত এই দিৱসৰ সৈতে সংগতি ৰাখি বিভিন্ন নৃত্য-গীত, কুইজ, চিত্ৰাংকন, শ্লʼগান লিখন আদি প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজি

পৰিৱেশ হলৌ বান্দৰ সংৰক্ষণ আৰু বাৰেকুৰিত গ্ৰাম্য পৰ্যটনৰ সম্ভাৱনা শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হয়। এই আলোচনাত কেইবাগৰাকীও পৰিৱেশ কৰ্মীয়ে নিজৰ মত প্ৰকাশ কৰে। এই দিৱস উপলক্ষে কাইলৈও বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে পৰ্যটনৰ ক্ষেত্ৰ হিচাপে বাৰেকুৰি হলৌ বান্দৰৰ বাবে প্ৰখ্যাত হৈ পৰিছে। এই দিৱসৰ আয়োজন সন্দৰ্ভত তিনিচুকীয়াৰ পৰা এয়া আমাৰ সংবাদদাতা মনোৰঞ্জন মৰাণ-

**ভইচ কাষ্ট**

০০০০০

মহাৰাষ্ট্ৰৰ সমাগত বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী একনাথ সিন্দেই আজি কামাখ্যা মন্দিৰ দৰ্শন কৰে। গৃহ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী অশোক সিংহলে মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰীগৰাকীক মন্দিৰ পৰিক্ৰমাৰ সময়ত সংগ দিয়ে। শক্তিপীঠ পৰিদৰ্শন কৰি সংবাদ মাধ্যমৰ আগত শ্ৰী সিন্দেই সমাগত নিৰ্বাচনত তেওঁলোকৰ মিত্ৰজোঁটে জয়লাভ কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০০০

অসম চৰকাৰে এটা নিৰ্দেশযোগে কৃষি বিভাগৰ অন্তৰ্গত উদ্যান শস্য আৰু খাদ্য প্ৰসংস্কৰণ সঞ্চালকৰ পদত অসম কৃষি সেৱাৰ সহকাৰী সঞ্চালক নৃপেন চন্দ্ৰ দাসক নিযুক্তি দিছে। অসম কৃষি সেৱা সন্থাই এই পদত শ্ৰী দাসক নিযুক্তি দিয়াৰ বাবে বিভাগীয় মন্ত্ৰীক ধন্যবাদ জনাইছে। উল্লেখযোগ্য যে সঞ্চালক পদত অসম কৃষি সেৱাৰ বিষয়াক নিযুক্তি দিবলৈ সন্থাই দাবী জনাই আহিছিল।

০০০০০

মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত আজি নামনি মাজুলীৰ ২২ নম্বৰ কাকৰিকটা প্ৰাথমিক বিদ্যালয়ত এখন আইন সজাগতা সভা অনুষ্ঠিত হয়। বিদ্যালয়খনৰ কিছুসংখ্যক ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, বিদ্যালয় পৰিচালনা সমিতিৰ বিষয়ববীয়া  আৰু অভিভাৱকসকল এই সভাত উপস্থিত থাকে। সজাগতা সভাত বাল্য বিবাহ প্ৰতিৰোধী আইন ২০০৬, শিশুক যৌন নিৰ্যাতনৰ পৰা সুৰক্ষা আইন ২০১২, শিশু শ্ৰম প্ৰতিৰোধী আইনকে ধৰি কেইবাখনো আইন সন্দৰ্ভত আলোকপাত কৰা হয়।

০০০০০

শ্ৰীশ্ৰী মাধৱদেৱ কলাক্ষেত্ৰৰ উদ্যোগত বৰনাৰায়ণপুৰৰ বাৰেবৈষ্ণৱৰ জীৱনভিত্তিক 'বৰনাৰায়ণপুৰৰ বৰবৈষ্ণৱ' শীৰ্ষক এলানি সাহিত্য বক্তৃতাৰ আয়োজন কৰা হৈছে। বক্তৃতামালাৰ অংশ হিচাপে মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱ বিষয়ত কাইলৈ লখিমপুৰৰ খেৰাজখাট মহাবিদ্যালয়ত এটা স্মাৰক বক্তৃতাৰ আয়োজন কৰা হৈছে। ভাৰতীয় পুৰাতন সাহিত্যৰ বিশিষ্ট গৱেষক, চিন্তাবিদ আৰু অসম মহিলা বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ডাঃ মালিনী গোস্বামীয়ে বক্তৃতা প্ৰদান কৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

০০০০০

বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ উপস্থিতিত আজি ফকিৰাগ্ৰাম আদৰ্শ চিকিৎসালয়খন উদ্বোধন কৰা হয়। অনুষ্ঠানটোত বিটিআৰৰ কাৰ্যবাহী দণ্ডাধীশ আৰু স্বাস্থ্য বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০

শিলপুখুৰীৰ ৰাজহুৱা নামঘৰৰ উদ্যোগত আৰু দীপশিখা ফাউণ্ডেচনৰ সৌজন্যত অহা ৩ নৱেম্বৰত পুৱা ১০ বজাৰ পৰা নামঘৰ পৰিসৰত স্তনৰ কৰ্কট ৰোগ সন্দৰ্ভত সজাগতা শিবিৰৰ আয়োজন কৰা হৈছে। ইয়াৰ লগতে ৪০ৰ উৰ্ধৰ মহিলাসকলৰ বাবে তাৎক্ষণিক ফলাফলসহ মেম'গ্ৰাফী পৰীক্ষাৰো ব্যৱস্থা কৰা হৈছে।

বিশেষজ্ঞ চিকিৎসকৰ পৰামৰ্শৰ লগতে এই পৰীক্ষণৰ সুবিধা গ্ৰহণ কৰিবলৈ শিলপুখুৰীৰ ৰাজহুৱা নামঘৰ অথবা ৯৮৬৪০-৪১৪২০ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে অনুৰোধ কৰিছে।

০০০০০

চৰকাৰী নিৰ্দেশনা অনুসৰি যোৰহাট জিলা আয়ুক্তৰ অধ্যক্ষতাত পানী যোগানৰ আঁচনি স্থানান্তৰ সন্দৰ্ভত এখন সমন্বয় সমিতি গঠন কৰা হয়। স্থানান্তৰণৰ সময়ত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ পাইপলাইন সমূহৰ যাতে কোনো ধৰণৰ ক্ষতি নহয়, তাৰবাবে বিভাগসমূহৰ সমন্বয়ৰ ক্ষেত্ৰত জিলা আয়ুক্তগৰাকীয়ে গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীক্ষক অভিযন্তাগৰাকীয়ে CALL BEFORE YOU DIG APP-ৰ বিষয়ে সকলোকে অৱগত কৰে।

০০০০০

তামুলপুৰ জিলা প্ৰশাসনৰ উদ্যোগত আৰু অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যলয়ৰ সহযোগত আজি তামুলপুৰ জিলাৰ তৃতীয় বৰ্গৰ কৰ্মচাৰীসকলৰ প্ৰথমটো গোটৰ চাৰিদিনীয়া কাৰ্যসূচী আৰম্ভ হয়। তামুলপুৰ উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হোৱা প্ৰথমদিনৰ কাৰ্যসূচীৰ জিলা আয়ুক্তই শুভাৰম্ভ কৰে। উন্নত মানৰ জনসেৱা প্ৰদানৰ বাবে চৰকাৰী কৰ্মচাৰীসকলৰ সামৰ্থ তথা কৰ্মক্ষমতা বৃদ্ধিৰ উদ্দেশ্যেৰে এই প্ৰশিক্ষণ প্ৰদান কৰা হৈছে বুলি জিলা আয়ুক্তই জানিবলৈ দিছে। আজিৰ কাৰ্যসূচীত প্ৰায় ৭২ গৰাকী কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। জিলা আয়ুক্তৰ লগতে অতিৰিক্ত আয়ুক্ত, নিৰ্বাচনী বিষয়া আৰু তিনিগৰাকী প্ৰশিক্ষক সমল ব্যক্তি হিচাপে উপস্থিত থাকে। চাৰিদিনীয়া এই প্ৰশিক্ষণ কাৰ্যসূচীৰ ২৮ অক্টোবৰত সামৰণি পৰিব।

০০০০০

গোৱাৰ পানাজীত অনুষ্ঠিত ৰাষ্ট্ৰীয় পেৰা সাঁতোৰ প্ৰতিযোগিতাত অসমে মুঠ ৯টা পদক অৰ্জন কৰিছে। অসমৰ পৰা কৃষ্ণ দাসে দুটাকৈ সোণৰ পদক অৰ্জন কৰে। সাঁতোৰবিদগৰাকীয়ে ১০০ মিটাৰ বেষ্ট ষ্ট্ৰ'ক আৰু ২০০ মিটাৰ ফ্ৰী ষ্টাইল শাখাত সোণৰ পদক লাভ কৰে। আনহাতে সূৰ্য শইকীয়াই তৃতীয়টো স্বৰ্ণ পদক অৰ্জন কৰে। তেওঁ ৫০ মিটাৰ বেষ্ট ষ্ট্ৰ'কত সোণ আৰু ৫০ মিটাৰ ফ্ৰী ষ্টাইল শাখাত ৰূপৰ পদক অৰ্জন কৰে। প্ৰতিযোগিতাত অসমৰ ইয়েছমিন খাতুনে তিনিটা ৰূপৰ পদক আৰু ছাজিদা বেগমে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ সাঁতোৰ প্ৰশিক্ষক তথা অসম পেৰালিম্পিক সন্থাৰ সম্পাদক ৰাজীৱ দে'ৰ নেতৃত্বত যোৱা অসমৰ ৮ জনীয়া দলটোৰ সফলতাত অসম পেৰালিম্পিক সন্থাই সন্তুষ্টি প্ৰকাশ কৰিছে।

০০০০০

সমাপ্ত